জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

, দ্বাবিংশতিতম বছৰ, সংখ্যা ১৫২ ● মঙলবাৰ ● ২৭ মাঘ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday February 10, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰ

তি দাহ

## নল'লে ...গিব

...খনে চাহ জনগোষ্ঠী ...াতিকৰণৰ নামত ...াহিছে। মুখ্যমন্ত্ৰীয়ে ...দান কৰিব বুলি ...ছিল যদিও সেই ... কৰাত ব্যৰ্থ হয়। ...তে অভিযোগ কৰি ...চাৰ শ্ৰমিকৰ মজুৰি ...াৰে বৃদ্ধি নকৰিলে। ... নেতাজনে শ্ৰমিকৰ ...৫১ লৈ টকা বৃদ্ধি ...বক দাবী জনায়। ...চৰকাৰে দাবীসমূহ ... অঞ্চলত বিজেপি ...যিদ্ধ কৰিব বুলিও ...গ্ৰহণ কৰি আছাৰ ...কী পাণ্ডৰে কয় যে ... স্বাধীন বিজেপি ...০০-৫০০০ টকা দি ...চাৰিছে। চৰকাৰে ...্য দি ভোট ভিক্ষা ...প দিব বিচাৰিছে। ...াৰে দাবীসমূহ মানি ... গ্ৰহণ কৰিব বুলি ... কাৰ্যসূচীত অংশ ...মৌ আৰক্ষীয়ে বাধা ...ৰ হয়।

# কানৈ মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ সামৰণী অনুষ্ঠান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ ফেব্ৰুৱাৰী ঃ 'ড° ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰ আৱেদন বিশ্বজনীন। সংগীত আৰু পৰিৱেশনশৈলীৰ ক্ষেত্ৰতো তেওঁ যি সবল আৰু উদাৰ আৱেগ সৃষ্টি কৰি লৈছিল, ইয়ো বিশ্বজনীনতাৰে আন এক নিদৰ্শন আছিল।'— কানৈ মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ ৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বড়াই এইদৰে কয়। লগতে সুধাকণ্ঠৰ ব্যক্তিত্বৰ বিষয়ে ক'বলৈ গৈ তেওঁ কয়— লোককলা, লোকজীৱন, লোকভাৱনা আৰু লোক সংগীত নিজেই এক অত্যন্ত প্ৰভাৱশালী বিশ্বজনীন ভাষা। পঞ্জীয়কগৰাকীয়ে কয় যে শিপাক পাহৰিব নালাগে, পুৰণি শিপাতে ন-গজালি মেলে। উল্লেখযোগ্য যে ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ, সংস্কৃত বিভাগ আৰু স্নেহবন্ধনৰ সহযোগত আয়োজিত ড° ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ ৭ ফেব্ৰুৱাৰীত সামৰণি পৰে। দুদিনীয়াকৈ অনুষ্ঠিত আলোচনা চক্ৰখনৰ সৰ্বমুঠ কুৰিখন কাৰিকৰী সত্ৰত বিভিন্ন অধ্যাপক-অধ্যাপিকা, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা-পত্ৰ পাঠ কৰে আৰু সমল ব্যক্তিসকলৰ জ্ঞানগভীৰ বক্তব্যৰে আলোচনা সত্ৰখন সৰস তথা সাফল্যমণ্ডিত হয়। মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা সামৰণী সভাত উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী শিখামণি কোচ দেউৰীয়ে। মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ হৈ অসমীয়া বিভাগে প্ৰকাশ কৰা 'নতুন শতিকা ঃ সাহিত্য-সমাজ-সংস্কৃতিৰ নতুন দিগ্‌বলয়' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। গ্ৰন্থ উন্মোচন কৰি ড° শইকীয়াই কয় যে মহাবিদ্যালয়ৰ অসমীয়া বিভাগে এখন সুন্দৰ গ্ৰন্থ প্ৰকাশ কৰি বিদ্যায়তনিক পৰিৱেশ ৰচনাৰ



ক্ষেত্ৰত এক ইতিবাচক দিশৰ গঢ় দিছে। অধ্যক্ষগৰাকীয়ে কয় যে কিতাপ নপঢ়া জাতিয়ে কেতিয়াও মূৰ দাঙি থাকিব নোৱাৰে। অনুষ্ঠানত লণ্ডনৰ নিবাসী স্নেহ বন্ধনৰ সভাপতি, অধ্যাপিকা মঞ্জিৰা চৌধুৰীয়ে সন্মানীয় অতিথি হিচাপে অনলাইনযোগে সংযুক্ত হৈ কয় যে সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ হ'লে সৎ সংগৰ সান্নিধ্যৰ প্ৰয়োজন। তেওঁ লগতে কয় যে ড° ভূপেন হাজৰিকাই ছাত্ৰাৱস্থাৰে পৰা মহান মনীষীৰ সান্নিধ্য লাভ ব্যক্তিত্ব বিকাশৰ নিদৰ্শন দি-থৈ গৈছে। লগতে শাস্ত্ৰীয় সংগীতৰ শিক্ষাই জীৱন পৰিশীলিত কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী উপস্থিত থাকি কয় যে সৃষ্টিশীলতা যে কিমান আকৰ্ষণীয় সেই কথা ড° ভূপেন হাজৰিকাই খুব সুন্দৰকৈ বুজাই থৈ গৈছে। অনুষ্ঠানৰ শেষত আলোচনা চক্ৰত অংশগ্ৰহণ কৰা অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলৰ হৈ ভাস্কৰ দাসে অনুভৱ ব্যক্ত কৰে। শেষত আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ সাফল্যমণ্ডিত কৰাত সহায়-সহযোগ কৰা প্ৰতিজন ব্যক্তিকে সমন্বয়ক ড° মনমী বৰুৱাই শলাগ জ্ঞাপন কৰে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বহুভাষিক কবিতা সন্মিলন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৯ ফেব্ৰুৱাৰী ঃ সদ্‌ভাৱ, সংহতি, সম্প্ৰীতি আৰু মানৱতাবাদহে এসময়ত কবি আৰু কবিতাৰ উদ্দেশ্য আছিল। সাতভনীৰে অসমীয়াৰ সম্প্ৰীতি আৰু একতা আছিল সি আজি ছিগি-ভাঙি থানবান হ'ল। ছিন্নমূল হ'ল মানুহ। কবিতাৰ জৰিয়তে সেই সম্প্ৰীতি পুনৰ বান্ধিবলৈ কবিসকলে চেষ্টা কৰিলেহে কবিতা চৰ্চাৰ উদ্দেশ্য সাৰ্থক হ'ব।— অসমৰ অগ্ৰণী সামাজিক-সাহিত্য অনুষ্ঠান 'সম্প্ৰীতি অসম'ৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সহযোগত ৮ ... একতা সভাৰ সাহিত্য আৰু পৰিৱেশ্য কলা বিভাগৰ সম্পাদক সৃষ্টি গগৈয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে লেখক তথা কবি, শিৱসাগৰৰ জাঁজী হেমনাথ শৰ্মা কলেজৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰাঞ্জল প্ৰতিম বড়া আৰু নাহৰকটীয়া কলেজৰ সহকাৰী অধ্যাপক ড° পৰেশ খনিকৰে। অনুষ্ঠানৰ দ্বিতীয় পৰ্বত অনুষ্ঠিত হোৱা বহুভাষিক কবিতা সন্মিলনৰ আৰম্ভণিতে ড° পৰেশ খনিকৰে কবিতা আৰু সমাজৰ সম্পৰ্ক শীৰ্ষক বক্তৃতা আগবঢ়ায়। কবিতা পাঠৰ অনুষ্ঠানত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি ড° প্ৰাঞ্জল প্ৰতিম বড়াই ... ছাত্ৰ নিহাৰ নাৰ্জাৰী, পূৰ্ণ ব্ৰহ্ম, লংৰানা বসুমতাৰী, কবিতা বসুমতাৰী, বিশ্ববিদ্যালয়ৰ ছাত্ৰী সৃষ্টি গগৈ, সীমাশ্ৰী চাংমাই, সন্ধ্যা চেত্ৰী, অংগনা মহন্ত, দীপান্বিতা শৰ্মা, পৰিস্মিতা কলিতা, শিক্ষয়িত্ৰী ৰশ্মিৰেখা খাওন্দ, অজন্তা দাস, ৰাজশ্ৰী সেনাপতিৰ গগৈৰ লগতে বিশিষ্ট কবি নিতু গোস্বামী, জুলি দত্ত, মামণি শৰ্মা, নিবেদিতা চুতীয়া, আনন্দ কলিতা, দীপিকা বৰা, টিপাই কুমাৰ ফুকন; পদ্মা খনিকৰ, ইভা গন্ধিয়া ফুকন, ৰুমি ফুকন বুঢ়াগোহাঁই, বীণা দত্ত ভৰালী, কনকচম্পা বুঢ়াগোহাঁই, কৃতাঞ্জলি মেধি শৰ্মা, ...